# অসম জাতীয় বিদ্যালয়
## নুনমাটি, গুৱাহাটী

---

তাৰিখ : ২০/০৬/২০১৬

## <u>অসম জাতীয় বিদ্যালয়ত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন</u>

নুনমাটি, গুৱাহাটী ২০ জুন : কলা গুৰু ৰূপে পৰিচিত বিষ্ণু প্ৰসাদ ৰাভাৰ ৪৭ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি অসম জাতীয় বিদ্যালয়তো ২০ জুন তাৰিখে কামৰূপ জিলা ভিত্তিত বিদ্যালয় পৰ্যায়ত ৰাভা সংগীত প্ৰতিযোগিতাৰ আয়োজনেৰে বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলনেৰে। বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। উল্লেখ্য যে এই দিনটোতে আমাৰ মাজৰপৰা চিৰদিনৰ বাবে আঁতৰি যোৱা বিদ্যালয়ৰ আজীৱন শৈক্ষিক সঞ্চালক কৃষ্ণ কুমাৰ বৰা আৰু বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী ৰক্তাভ দত্ত চৌধুৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলনেৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। ইয়াৰ পিছতে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীয়ে বিষ্ণু ৰাভাৰ জীৱন সম্পৰ্কে আলোকপাত কৰি অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰে। বিদ্যালয়ৰ পৰম্পৰা অনুসৰি বিদ্যালয়ত উদ্‌যাপিত দিৱসৰ লগত সংগতি ৰাখি 'কাকতৰ টোপোলা' শীৰ্ষক এখনি প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। আজিৰ এই বিশেষ প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। ৰাভা সংগীত প্ৰতিযোগিতাৰ বিচাৰক ৰূপে আমন্ত্ৰণ কৰি অনা হয় বিশিষ্ট সংগীতজ্ঞ, পৰিচালক ৰমেন বৰুৱা আৰু ৰমেন চৌধুৰীক। এই প্ৰতিযোগিতাত কামৰূপ জিলাৰ কেইবাখনো বিদ্যালয়ৰ ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে গুৰুকূল গ্ৰামাৰ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অভ্ৰমন কাশ্যপে। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে আঞ্চলিক জাতীয় বিদ্যালয়ৰ জুবলি শৰ্মা আৰু অসম জাতীয় বিদ্যালয়ৰ পৰিণীতা গোস্বামীয়ে। বিচাৰকৰ আসনৰপৰা বিচাৰকদ্বয় বৰুৱা আৰু চৌধুৰীদেৱে কয় যে প্ৰতিযোগীসকলে গীতৰ প্ৰতিটো ক্ষেত্ৰতে তাল-মান- লয়ৰ প্ৰতি সাৱধান হোৱাৰ লগতে প্ৰতিটো শব্দ উচ্চাৰণৰ ক্ষেত্ৰত সচেতন হোৱা অতি প্ৰয়োজন। কোনো এগৰাকী গীতিকাৰৰ গীত পৰিৱেশন কৰিবৰৈ হ'লে ব্যক্তিজনাক গভীৰভাৱে জানিব লাগিব, কাৰণ তেওঁলোকৰ সমগ্ৰ ব্যক্তিসত্বা গীতৰ জৰিয়তে প্ৰকাশ পায়। সমগ্ৰ অনুষ্ঠানৰ আঁত ধৰে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী জুহিতা কলিতা আৰু নৱম শ্ৰেণীৰ শিক্ষাৰ্থী অনুৰণন আগৰৱালাই। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই অধ্যক্ষ ঘনশ্যাম মেধিয়ে। আজিৰ এই অনুষ্ঠানটি পৰিচালনা আৰু আহ্বায়িকাৰ দায়িত্বত থাকে ক্ৰমে শিক্ষয়িত্ৰী লিপিমণি দত্ত আৰু নৱনীতা গোস্বামী।

ঘনশ্যাম মেধি

ঘনশ্যাম মেধি
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়